# Telephone Conversation between PM and Prime Minister of the Commonwealth of Australia

April 06, 2020

---

# প্ৰধানমন্ত্ৰী আৰু অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰীৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

এপ্ৰিল 06, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি অষ্ট্ৰেলিয়াৰ মাননীয় প্ৰধানমন্ত্ৰী স্কট মৰিছনৰ সৈতে এক টেলিফোনিক বাৰ্তালাপত মিলিত হয়।

দুয়োগৰাকী নেতাই ক'ভিড-১৯ মহামাৰীৰ বিষয়ে তথা এই সন্দৰ্ভত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন ৰণনীতিমূলক পদক্ষেপৰ বিষয়ে আলোচনা কৰে। দুয়োগৰাকী নেতাই এই স্বাস্থ্য সংক্ৰান্তীয় সংকটৰ পৰা মুক্তি পাবলৈ দ্বিপাক্ষিক অভিজ্ঞতাসমূহৰ বিনিময়ৰ প্ৰয়োজনীয়তাৰ বিষয়ে দোহাৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰত চৰকাৰে ভ্ৰমণ নিষেধাজ্ঞাৰ ফলত ভাৰতত আৱদ্ধ হৈ ৰোৱা অষ্ট্ৰেলিয়ান নাগৰিকক পূৰ্ণ সহযোগিতা প্ৰদান কৰিছে। ঠিক সেইদৰে অষ্ট্ৰেলিয়াতো আৱদ্ধ হৈ ৰোৱা ভাৰতীয় নাগৰিকসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰতো অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি অষ্ট্ৰেলিয়ান প্ৰধানমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

দুয়োগৰাকী নেতাই এই সংকটৰ সময়ছোৱাত ভাৰত-অষ্ট্ৰেলিয়াৰ অংশীদাৰিত্বত ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চল সহ বৃহত্তৰ ক্ষেত্ৰত একলগ হৈ কাম কৰাৰ বিষয়ে সহমত পোষণ কৰে।

**নতুন দিল্লী**
**এপ্ৰিল 06, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.